**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-MAY-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ঊনবিংশ ৰোজগাৰ মেলাৰ জৰিয়তে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশৰ ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান।

২। বাংলাদেশ সীমান্তৰে অনুপ্ৰৱেশকাৰী ৰোধৰ ক্ষেত্ৰত অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ সৈতে সমন্বিত প্ৰচেষ্টাৰে কাম কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰকাশ।

৩। অসমকে ধৰি দেশৰ অন্যান্য প্ৰান্তত পেট্ৰ'ল-ডিজেল আৰু ৰন্ধন গেছৰ যোগান সুনিশ্চিত কৰাৰ বাবে ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানীসমূহৰ প্ৰচেষ্টা অব্যাহত।

৪। বিকশিত ভাৰত বিল্ডাথন, ২০২৫ প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ সাফল্য।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৫৫ ৰানত জয়লাভ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ঊনবিংশ ৰোজগাৰ মেলাৰ জৰিয়তে দেশৰ ৫১ হাজাৰৰো অধিক নৱ নিযুক্ত যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান কৰিব। এই প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, অৰ্থনৈতিক সেৱা দপ্তৰ, উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি লাভ কৰিছে। এইবাৰৰ ৰোজগাৰ মেলা দেশৰ ৪৭টা স্থানত আয়োজন কৰা হৈছে।

অসমতো উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তত্বাৱধানত আজি গুৱাহাটীৰ মালিগাঁওস্থিত ৰং ভৱন প্ৰেক্ষাগৃহত ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই জনোৱা মতে অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। পুৱা ১০ বজাত আৰম্ভ হ'বলগীয়া অনুষ্ঠানত প্ৰায় ৪০০ নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

বাংলাদেশ সীমান্তৰে অনুপ্ৰৱেশকাৰী ৰোধ কৰাৰ ক্ষেত্ৰত সমন্বিত ৰণনীতি প্ৰস্তুত কৰাৰ বাবে অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰ সৈতে শীঘ্ৰেই এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰি পৰিকল্পনা যুগুত কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সীমান্ত সুৰক্ষা বাহিনী আৰু ৰুস্তমজী স্মাৰক বক্তব্য প্ৰদান অনুষ্ঠানত ভাষণ দি শ্ৰী শ্বাহে কয়, যে অনুপ্ৰৱেশৰ সমস্যা হৈছে দেশৰ অন্যতম বৃহৎ অন্তৰ্বৰ্তী নিৰাপত্তা প্ৰত্যাহ্বান আৰু কেন্দ্ৰীয় চৰকাৰে অবৈধ অনুপ্ৰৱেশকাৰীয়ে যাতে সীমান্ত অঞ্চলৰ জনগাঁথনি সলনি কৰিব নোৱাৰে, সেয়া সুনিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগকে ধৰি বাংলাদেশৰ সৈতে সীমান্ত ভাগ-বটোৱাৰা কৰা ৰাজ্য চৰকাৰসমূহে এইক্ষেত্ৰত সমন্বিতভাৱে কাম কৰি আছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে অনুপ্ৰৱেশকাৰী ৰোধৰ বাবে অনাগত সময়ত এই ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে আলোচনাত মিলিত হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০

অসমকে ধৰি দেশৰ অন্যান্য প্ৰান্তত ইন্ধনৰ চাহিদা হঠাৎ বৃদ্ধিৰ সময়তে পেট্ৰ'ল-ডিজেল আৰু ৰন্ধন গেছৰ যোগান সুনিশ্চিত কৰাৰ বাবে ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানী IOCL, BPCL আৰু HPCL-এ সমন্বিতভাৱে কাম কৰি আছে। বিভিন্ন ৰাজ্যত ঋতুভিত্তিক কৃষি আৰু খেতি চপোৱাৰ পৰিপ্ৰেক্ষিতত শেহতীয়াকৈ তৈল বিপণন কোম্পানীসমূহত পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ চাহিদা যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হয়। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি এই তৈল বিপণন কোম্পানীসমূহে ডিপো, পাইপলাইন, এল পি জি বটলিং প্লাণ্ট আৰু খুচুৰা বিপণীসমূহৰ জৰিয়তে ইন্ধনৰ নিৰৱচ্ছিন্ন যোগান অব্যাহত ৰখাৰ প্ৰয়াস কৰিছে। ইন্ধন বিতৰণৰ সুবিধা তথা নিৰৱচ্ছিন্ন যোগান নিশ্চিত কৰাৰ বাবে কোম্পানীসমূহে ৰাজ্যসমূহৰ সৈতে সমন্বয় বজাই ৰাখিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় পৰ্যায়ত বিগত ৩ দিনত ১ কোটি ৩২ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিং হোৱাৰ বিপৰীতে ১ কোটি ৩৪ লাখ চিলিণ্ডাৰ যোগান ধৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয় আৰু নীতি আয়োগৰ দ্বাৰা আয়োজিত বিকশিত ভাৰত বিল্ডাথন, ২০২৫ প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ বিদ্যালয়ে সাফল্য লাভ কৰিছে। জিলাখনৰ মায়ং শিক্ষা খণ্ডৰ কাৰছোৱাবড়ী মধ্য ইংৰাজী বিদ্যালয়ে এই প্ৰতিযোগিতাত ৰাজ্যিক স্তৰত বঁটা লাভ কৰাৰ লগতে মৰিগাঁও ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ছহীদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয়ে ক্ৰমে প্ৰট'টাইত আৰু আৰ্হিৰ বাবে জিলা পৰ্যায়ৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে বিকশিত ভাৰত বিল্ডাথন ২০২৫ হৈছে ভাৰতৰ সৰ্ববৃহৎ বিদ্যালয় ভিত্তিক হেকাথন। ইয়াত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে দেশৰ এক কোটিতকৈও অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ অহা ২৫ মে'ত পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত অনুষ্ঠিত শুনানিত কালি জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। অহা ২৫ মে'ত হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়া আৰু জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ লোক অধিবক্তা জীয়াউল কামাৰে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ বিপক্ষে যুক্তি দৰ্শাব। ইপিনে, উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশ অনুসৰি কালি আদালতত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত কেছ ডায়েৰীৰ লগতে নিম্ন আদালতৰ নথি-পত্ৰ দাখিল কৰা হয়।

০০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

০০০০০০

উৎকোচ লৈ হাতে-লোতে গ্ৰেপ্তাৰ হোৱা ভূমিলেখ আৰু জৰীপ অধিকৰ্তা কাৰ্যালয়ৰ সহকাৰী সঞ্চালক আৰু অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বেলতলা তিনিআলিৰ ৰানী বাগানৰ বাসগৃহৰ পৰা দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে  কালি এক কোটি ১৭ লাখ টকা জব্দ কৰে। ইয়াৰ পূৰ্বে দুৰ্নীতি নিৰীক্ষণ আৰু

নিবাৰণ সঞ্চালকালয়ে অভিযুক্ত দাসৰ বেলতলাত থকা কুইন গাৰ্ডেন এপাৰ্টমেণ্টৰ এটা ফ্লেটত অভিযান চলাই ৪৮ লাখ ৩৮ হাজাৰ ১৫০ টকা মূল্যৰ নগদ ধন জব্দ কৰে। ইয়াৰ লগতে দলটোৱে দাসৰ ঘৰৰ পৰা ৯টা বেংক একাউণ্টত জমা ৰখা ৮০ লাখ টকা ফিক্স ডিপ'জিটৰ ৰচিদ, প্ৰায় ৫০০ গ্ৰাম ওজনৰ অলঙ্কাৰ, জীৱন বীমাৰ পলিচিকে ধৰি ভালেখিনি নথি-পত্ৰ আৰু সামগ্ৰী জব্দ কৰে। দুৰ্নীতি নীৰিক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান সুৰেন্দ্ৰ কুমাৰে কালি এখন সংবাদমেলত অভিযুক্ত দাসৰ বাসগৃহত চলোৱা অভিযান সন্দৰ্ভত সবিশেষ সদৰি কৰে।

শ্ৰীকুমাৰে উৎকোচ লোৱা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰাৰ লগতে অভিযুক্ত দাসৰ বিৰুদ্ধে আয়তকৈ অধিক সম্পত্তি অৰ্জনৰো এটা পৃথক গোচৰ ৰুজু কৰা হ'ব বুলি জানিবলৈ দিয়ে। চলিত বৰ্ষত ৪ জনকৈ উচ্চপদস্থ চৰকাৰী বিষয়া উৎকোচ লৈ গ্ৰেপ্তাৰ হোৱাৰ তথ্য সদৰি কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰৰ দুৰ্নীতি বিৰোধী আপোচহীন নীতি অনুযায়ী দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে দুৰ্নীতিৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।

০০০০০০

গুৱাহাটী মহানগৰীৰ যাতায়াত ব্যৱস্থা অধিক সু-শৃংখল কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লালগণেশত নৱনিৰ্মিত ড° শ্যামাপ্ৰসাদ মুখাৰ্জী উৰণ সেঁতু আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ড° শৰ্মাই তেওঁৰ ভাষণত কয়, যে অসমক বিকাশৰ অনিৰুদ্ধ গতিৰে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰৰ সপোন বাস্তৱায়িত কৰাৰ দিশত কালিৰ দিনটো মাইলৰ খুটি হিচাপে চিহ্নিত হৈ ৰব। ২ দশমিক ৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেতুখনে হাজাৰ হাজাৰ লোকক উপকৃত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই উৰণসেতুখন বিশিষ্ট শিক্ষাবিদ, দূৰদৰ্শী ৰাজনীতিবিদ ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ নামেৰে নামকৰণ কৰা সন্দৰ্ভত ড° শৰ্মাই কয়, যে ৰাজ্যৰ শৈক্ষিক আৰু ৰাজনৈতিক ক্ষেত্ৰত শ্যামাপ্ৰসাদ মুখাৰ্জীৰ যথেষ্ট অৱিহণা আছে। অসমৰ ৰাজনৈতিক ইতিহাসত গ্ৰুপিঙৰ বিৰুদ্ধে ড° মুখাৰ্জীয়ে লোৱা ভূমিকাক ইতিহাসে সদায় কৃতজ্ঞতাৰে সোঁৱৰে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **সমাজ জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ** সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব বিষয়বস্তুৰ বিশেষজ্ঞ ইন্দ্ৰনীল তালুকদাৰ আৰু কাব্যনীল তালুকদাৰে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টি ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০০

মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত জন ভাগিদাৰী অভিযানৰ অধীনত কালি জিলাখনৰ পকাজৰা, চেৰপাই আৰু জেংৰাইমুখ গাঁও পঞ্চায়তত গুৰুত্বপূৰ্ণ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰা হয়। বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত প্ৰতিখন গাঁও পঞ্চায়তত বিশেষ গাঁও সভা অনুষ্ঠিত হয়। এই সভাসমূহৰ জৰিয়তে স্থানীয় ৰাইজৰ অভাৱ-অভিযোগসমূহ পোনপটীয়াকৈ শুনি এই সমূহৰ সমাধানৰ উদ্দেশ্যে বিশেষ জন শুনানি কাৰ্যসূচীও সফলতাৰে সম্পন্ন কৰা হয়।

ডিব্ৰুগড় জিলাতো জন ভাগিদাৰী কাৰ্যসূচীৰ অংশ হিচাপে কালি জিলাখনৰ চাবুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰংচঙী গাঁও পঞ্চায়তত **জন ভাগিদাৰী চেচুৰেচন কেম্প** অনুষ্ঠিত হয়। জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ আৰু সৰ্বাংগীন উন্নয়নৰ লক্ষ্যৰে আয়োজিত এই শিবিৰত চৰকাৰী কল্যাণমূল আঁচনি তথা ৰাজহুৱা সেৱা সঠিকভাৱে প্ৰদান কৰাৰ নিশ্চিতি দিয়া হয়।

০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৫৫ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২৫৫ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। দলৰ হৈ ঈশান কিষাণে সৰ্বাধিক ৭৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে নিৰ্ধাৰিত অভাৰত ৪টা উইকেট হেৰুৱাই ২০০ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰজত পাটিদাৰে সৰ্বাধিক ৫৬ ৰান কৰে। ঈশান কিষাণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইপিনে যোৱা নিশাৰ খেলখনত জয়লাভ কৰা সত্বেও ছানৰাইজাৰ্ছ হায়দৰাবাদ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানতে থাকে। ইয়াৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু পইণ্টা তালিকাৰ শীৰ্ষত আছে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

News Paper REV

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন কালি দ্বিতীয় দিনাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হয়। ৰাজ্যপালৰ ভাষণ চলি থকাৰ সময়তে বিৰোধী কংগ্ৰেছ দলৰ সদস্যসকলে আৰু সদনৰ বাহিৰত মূল্য বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। এই বাতৰিটো বিস্তৃতভাৱে অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তাকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে মুখ্য বাতৰিত স্থান দিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ লাল গণেশত ড০ শ্যামাপ্ৰসাদ মুখাৰ্জী উৰণ সেতুখন উদ্বোধন কৰা বাতৰিটো অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিশু সাহিত্যিক শান্তনু তামুলীৰ সম্পাদনাত শিশু আলোচনী মৌচাকৰ ৪৩ বছৰৰ আটাইকেইটা সংখ্যা কেলিফৰ্নিয়া বিশ্ববিদ্যালয়ৰ অভিলেখাগাৰত সংৰক্ষণ কৰা বাতৰিটো দৈনিক অসম কাকতে বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

অসম, পশ্চিমবংগ আৰু ত্ৰিপুৰা সংলগ্ন ভাৰত-বাংলাদেশ সীমান্তৰে অবৈধ অনুপ্ৰৱেশ ৰোধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নতুন প্ৰযুক্তি চালিত সীমান্ত সুৰক্ষা ব্যৱস্থা গঢ়ি তোলাৰ কথা ঘোষণা কৰা বাতৰিটো দি আছাম ট্ৰিবিউন, দ্যা ছেণ্টিনেল আৰু অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

চতুৰ্থ ভাৰত-আফ্ৰিকা শীৰ্ষ সন্মিলন আফ্ৰিকাৰ কোনো কোনো অঞ্চলত দেখা দিয়া ইব'লা ভাইৰাছৰ আতংকৰ পৰিপ্ৰেক্ষিতত স্থগিত ৰখা বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ অহা ২৫ মে'ত শুনানি গ্ৰহণৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

ডিব্ৰুগড়ত ইন্সটিটিউট অৱ চাৰ্টাৰ্ড একাউণ্টেন্স অৱ ইণ্ডিয়াৰ দুদিনীয়া সন্মিলন **সপ্তসেতু** আজি আৰম্ভ হ'ব। মোহনবাৰীত ড০ ভূপেন হাজৰিকা বিমান বন্দৰৰ সমীপৰ মনোহাৰী টি ৰিজৰ্টত হ'বলগীয়া এই সন্মিলনত ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ ৩০০তকৈও অধিক চাৰ্টাৰ্ড একাউণ্ট বা চি এ, উদ্যোগপতি আৰু বিশেষজ্ঞই অংশগ্ৰহণ কৰিব বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনাইছে।

০০০০০০

লখিমপুৰ জিলাৰ নাওবৈচাত আজি নিচেই পুৱাতে গুৱাহাটীৰ পৰা কমলাবাৰী অভিমুখে গৈ থকা এখন বাছ দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাত এজন যাত্ৰী নিহত হোৱাৰ লগতে ৪৫ জনৰো অধিক যাত্ৰী আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে বাছখনে ভাৰসাম্য হেৰুৱাই পথৰ কাষত বাগৰি পৰাত এই দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ  সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী চেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

*ঃঃ সমাপ্ত ঃঃ*